# 2017

## ELECTIVE ASSAMESE

Paper : 6.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' পাঠটি শংকৰদেৱৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(খ) তোমাৰ পাঠ্যক্ৰমত থকা 'বিশ্বৰূপ দৰ্শন' পাঠটিৰ ৰচক কোন?

(গ) ৰঘুনাথ মহন্ত কোন শতিকাৰ লেখক আছিল?

(ঘ) 'ৰামৰ বনগমন' পাঠটিত উল্লিখিত দশৰথ ৰজাৰ মন্ত্ৰীজনৰ নাম কি?

(ঙ) ত্ৰিপুৰাৰ ৰজাই সোণৰ নাল দিয়া মোটেৰে কাৰ গালৈ পানী মাৰিছিল?

(চ) হেমচন্দ্ৰ বৰুৱাই সম্পাদনা কৰা ইংৰাজী-অসমীয়া সাপ্তাহিক কাকতখনৰ নাম কি আছিল?

(ছ) ৰাইট ভ্ৰাতৃ-যুগলে কোন চনত বিমানত প্ৰথম বিহাৰ কৰিছিল ?

(জ) মাইকেল এঞ্জিলো কোন দেশৰ চিত্ৰকৰ আছিল ?

(ঝ) শৃংগাৰৰসৰ স্থায়ীভাব কি ?

(ঞ) জগতৰ আদিকবি বুলি কাক কোৱা হয় ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'বিশ্বৰূপ দৰ্শন' প্ৰবন্ধটিৰ উৎসগ্ৰন্থ কি ? সেইখন গ্ৰন্থৰ কোন অধ্যায়ৰ পৰা পাঠটি লোৱা হৈছে ?

(খ) 'ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোটখেলাৰ কৌতুক'—পাঠটিৰ লেখক কোন ?

(গ) হেমচন্দ্ৰ বৰুৱাৰ দুখন গ্ৰন্থৰ নাম লিখা।

(ঘ) কালিদাস-প্ৰণীত দুখন গ্ৰন্থৰ নাম লিখা।

(ঙ) 'সাহিত্য-দৰ্পণ' আৰু 'উজ্জ্বল নীলমণি'ৰ ৰচক কোন ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×৪=২০

(ক) বেদনিধিয়ে দ্বাৰকালৈ কিয় গৈছিল আৰু শ্ৰীকৃষ্ণৰ পৰা কেনে আতিথ্য লাভ কৰিছিল, আলোচনা কৰা।

(খ) ‘ৰামৰ বনগমন’ পাঠটিৰ আলমত শ্ৰীৰাম চৰিত্ৰৰ মহত্ত্ব কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(গ) ‘হেমচন্দ্ৰ বৰুৱাৰ আত্মজীৱনচৰিত’ৰ আধাৰত তদানীন্তন অসমত দেখা দিয়া বিসূচিকা ৰোগৰ ভয়াবহতা সম্পৰ্কে চমুকৈ লিখা।

(ঘ) সাহিত্যত অসংযত করুণৰস কিদৰে অভিব্যক্ত হয়, লিখা।

(ঙ) ‘বৰবৰুৱাৰ বিমান-বিহাৰ’ প্ৰবন্ধটিৰ আলমত বৰবৰুৱাৰ পুৰাণ-কথাৰ উল্লিখন সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(চ) অংকীয়া নাটত সূত্ৰধাৰৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখা।

৪। (ক) শ্ৰীকৃষ্ণই কিয় অৰ্জুনক বিশ্বৰূপ দেখুৱাবলগীয়া হৈছিল, বিৱৰি লিখা। ১০

*অথবা*

(খ) বেদনিধি ব্ৰাহ্মণে দ্বাৰকালৈ গৈ ৰুক্মিণীয়ে দিয়া পত্ৰখন শ্ৰীকৃষ্ণৰ আগত পাঠ কৰাৰ পিছত শ্ৰীকৃষ্ণৰ মনত কেনে প্ৰতিক্ৰিয়া সৃষ্টি হৈছিল, আলোচনা কৰা।

৫। (ক) ‘হেমচন্দ্ৰ বৰুৱাৰ আত্মজীৱনচৰিত’ৰ আধাৰত ঊনবিংশ শতিকাৰ অসমৰ সমাজ-জীৱনৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) বেজবৰুৱাই কেনেকৈ বিমান-বিহাৰ কৰিছিল, ‘বৰবৰুৱাৰ বিমান-বিহাৰ’ শীৰ্ষক ৰচনাৰ আলমত বৰ্ণনা কৰা।

৬। (ক) ত্ৰিপুৰাত আড়ম্বৰপূৰ্ণভাৱে পালিত হোৱা মদন পূজাৰ বিৱৰণ তোমাৰ ভাষাত উপস্থাপন কৰা। ১০

*অথবা*

(খ) 'ৰামৰ বনগমন' পাঠ্যাংশৰ আলমত কৌশল্যাৰ চৰিত্ৰটো বৰ্ণনা কৰা।

৭। (ক) বাণীকান্ত কাকতিয়ে উল্লেখ কৰা তিনিবিধ করুণৰসৰ প্ৰতিফলন সাহিত্যত কিদৰে ঘটিছে, উদাহৰণসহ বুজাই লিখা। ১০

*অথবা*

(খ) ভগৱান কৃষ্ণৰ প্ৰতি প্ৰকাশ পোৱা ভক্তৰ পাঁচ প্ৰকাৰৰ ৰতিৰ বিষয়ে 'অংকীয়া নাটৰ ৰস বিচাৰ' প্ৰবন্ধৰ আলমত বুজাই লিখা।

★★★